# পাঠ :১ তেজৰে কমলাপতি

## ( পুৱা গাোৱা বৰগীত )

## ৰাগ-শ্যাম

**-শ্ৰী শ্ৰীমাধৱদেৱ**

**‘ ক ’ পাঠভিত্তিক ক্ৰিয়া**

**ক্ৰিয়া-কলাপঃ**

**প্ৰশ্ন ১। বৰগীতটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে গাওঁ আহ ।**

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰা ।

**প্ৰশ্ন ২। বৰগীতটো শুদ্ধ আৰু স্পষ্টভাৱে পঢ়া ।**

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰা ।

**প্ৰশ্ন ৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ কোৱা আৰু লিখা**

**( ক ) বৰগীত ৰচনা কৰা মহাপুৰুষ দুজনৰ নাম কি ?**

উত্তৰঃ বৰগীত ৰচনা কৰা মহাপুৰুষ দুজনৰ নাম হ’ল- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ ।

**( খ ) ‘তেজৰে কমলাপতি’ নামৰ বৰগীতটোৰ ৰচক কোন ?**

উত্তৰঃ ‘তেজৰে কমলাপতি’ নামৰ বৰগীতটোৰ ৰচক হ’ল- শ্ৰীশ্ৰীমাৱধৱ ।

**( গ ) ‘তিমিৰ ফেৰিয়া ’ কি বাজ হয় ?**

উত্তৰঃ ‘তিমিৰ ফেৰিয়া ’ কি বাজ ৰবিৰ কিৰণ হয় ।

**( ঘ ) যশোদাই কৃষ্ণক পুৱা কিয় জগাইছিল ?**

উত্তৰঃ যশোদাই কৃষ্ণক পুৱা সুৰভি চৰাবলৈ যাবৰ কাৰণে জগাইছিল ।

**প্ৰশ্ন ৪। তলত দিয়া পদ দুশাৰীত কোনে কাক কি কৈছে , নিজৰ কথাৰে লিখা ।**

**নন্দ গৈল বাথানে গোৱাল গেল পাল ।**

**সুৰভি চাৰিতে লাগে উঠৰে গোপাল ।**

উত্তৰঃ মাক যশোদাই শুই থকা শিশু কৃষ্ণক কৈছে যে নন্দ বাথানলৈ , অৰ্থাৎ গৰু ম'হ ৰখা ঠাইলৈ গ'ল , গোৱালবিলাকেও চৰাবলৈ গৰুৰ পাল লৈ গ'ল । গতিকে গোপাল তুমিও সুৰভি গাইজনীক চৰাবলৈ নিব লাগে , উঠা ।

**প্ৰশ্ন ৫। তলৰ শব্দবোৰৰ অৰ্থ লিখা ।**

**কমলাপতি , শতপত্ৰ , তিমিৰ , ভ্ৰমৰ , ডাকে , ত্ৰিজগত , ব্ৰজবধু , ৰয়নী**

উত্তৰঃ

| | |
|---|---|
| কমলাপতি | শ্ৰীকৃষ্ণ। |
| শতপত্ৰ | পদুম । |
| তিমিৰ | আন্ধাৰ । |
| ভ্ৰমৰ | ভোমোৰা । |
| ডাকে | মাতে । |
| ত্ৰিজগত | স্বৰ্গ , মৰ্ত্য , পাতাল এই তিনি জগত । |
| ব্ৰজবধু | ব্ৰজধামৰ বোৰী । |
| ৰয়নী | ৰজনী , নিশা । |

**প্ৰশ্ন ৬। বৰগীতটোত প্ৰকাশ পোৱা পুৱাৰ প্ৰাকৃতিক দৃশ্যৰ এটি বৰ্ণনা দিয়া ।**

উত্তৰঃবৰগীতটিত মাক যশোদাই শুই থকা শিশু শ্ৰীকৃষ্ণক জগাওতে ৰাতিপুৱাৰ প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা এনেদৰে দিছে ।

আন্ধাৰ আঁতৰাই চাৰিও দিশ পাোহৰাই সূৰ্যৰ কিৰণ ওলাই আহিছে । পদুম ফুল ফুলি উঠাত তাত ভাোমাোৰাই গুণ গুণ কৰি উৰিছে । শ্ৰীকৃষ্ণনাম – গুণ গাই ব্ৰজধামৰ বাোৱাৰীসকলে দধি মথিব লাগিছে । শ্ৰীকৃষ্ণৰ বন্ধু দাম – সুদাম আদি গৰখীয়াসকলে তেওঁৰ নাম ধৰি মাতিব লাগিছে । দাদাক বলৰাম ইতিমধ্যে বিছনাৰ পৰা উঠিছে । ৰজা নন্দও গৰু ৰখা ঠাইলৈ গ'ল । গাোৱালবিলাকেই গৰুৰ পাল লৈ চৰাবলৈ গ'ল । শ্ৰীকৃষ্ণও সুৰভী গাইজনী চৰাবলৈ নিব লাগে , গতিকে সাোনকালে উঠিব লাগে । সাোনকালে উঠি ক্ষীৰ – লৱণু , শিঙা , বেত , বেণু লৈ যাব লাগে বুলি যশাোদাই শ্ৰীকৃষ্ণক কৈছে ।

**[ প্ৰশ্ন ৭ বউত্তৰ— শিক্ষকে ছবিখনি ভালদৰে ছাত্ৰ – ছাত্ৰীক চাবলৈ দি বুজাই দিব । ]**

## ‘ খ ’ ভাষা অধ্যয়ন ( ব্যৱহাৰিক ব্যাকৰণ )

**প্ৰশ্ন ৮। ( ক ) তলৰ শব্দৰ আগত ত্ৰি’ শব্দ লগাই নতুন শব্দ গঠন কৰা আৰু অৰ্থ লিখা ।**

**জগত – ত্ৰিজগত ভুজ – .........**

**কাল – ............. শূল – ...........**

**কোন – ................ নয়ন – ..............**

উত্তৰঃ **জগত = ত্ৰিগজত :** স্বৰ্গ , মৰ্ত্য ,পাতাল এই তিনিজগত ।

**ভুজ = ত্ৰিভুজ :** তিনিটা বহু থকা ক্ষেত্ৰ ; তিনিডাল সৰল ৰেখাৰে আগুৰা ক্ষেত্ৰ ।

**কাল = ত্ৰিকাল :** ভূত , ভৱিষ্যৎ আৰু বৰ্তমান এই তিনি কাল ।

**শূল = ত্ৰিশূল** : মূল তিনিটা জোং থকা এবিধ অস্ত্ৰ ।

**কোণ = ত্ৰিকোণ :** তিনিটা কোন থকা ক্ষেত্ৰ ।

**নয়ন = ত্ৰিনয়ন :** তিনিটা চকু থকা , শিৱ ।

**( খ ) তলত দিয়া শব্দবোৰৰ আগত ‘ বি ’ পূৰ্ণসৰ্গ লগ লগাই সেইবোৰেৰে অৰ্থ প্ৰকাশক একোটা বাক্য ৰচনা কৰা ।**

**সুখ দূৰ কিৰণ নন্দ**

উত্তৰঃ **মুখ = বিমুখ :** ভিক্ষাৰীক কেতিয়াও বিমুখ নকৰিবা ।

**দূৰ = বিদূৰ :** আত্মীয় মানুহ বিদূৰত থাকিলে বৰকৈ মনত পৰে ।

**কিৰণ = বিকিৰণ :** ৰাতিপুৱা সূৰ্যৰ পোহৰ চাৰিওফালে বিকিৰণ হৈছে ।

**নন্দ = বিনন্দ :** সদায় বিনন্দ মনেৰে থাকিব লাগে ।

**প্ৰশ্ন ৯। ব্ৰজাৱলী ভাষাত লিখা বাক্য চাৰিশাৰী আধুনিক অসমীয়ালৈ ৰূপান্তৰ কৰা ।**

**( ক ) ৰয়নী বিদূৰ দিশ ধৱলী বৰণ ।**

**( খ ) শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায় ।**

**( গ ) দাম – সুদাম ডাকে তেৰি লৈয়া নাম**

**( ঘ ) ক্ষীৰ লৱণু লৈয়া শিঙা , বেত , বেণু ।**

উত্তৰঃ ( ক ) এন্ধাৰ আঁতৰি গৈ চাৰিওদিশে পোহৰ হ’ল ।

( খ ) পদুম ফুলবোৰ ফুলি উঠাত তাত ভোমোৰাবোৰ উৰিব লাগিছে ।

( গ ) দাম – সুদামে তোমাৰ নাম ধৰি মাতিব লাগিছে ।

( ঘ ) ক্ষীৰ – লৱণু আৰু শিঙা , এচাৰি , বাঁহী লৈ সুৰভী চৰাবলৈ যোৱা ।

**প্ৰশ্ন ১০। এটা শব্দত প্ৰকাশ কৰা**

**গৰু বন্ধা ঠাই , যিয়ে ৰাতি নেদেখে , যিজনে সকলাে জানে , যি সকলাে ৰে মাজত প্ৰিয় , যাক সহজে লাভ কৰিব নাে ৱাৰি , যিজনে বিষ্ণুক উপাসনা কৰে ।**

উত্তৰঃ  গৰু বন্ধা ঠাই    –   গাে হালি , বাথান ।

যিয়ে ৰাতি নেদেখে   –   কুকুৰীকণা ।

যিজনে সকলাে জানে  –  সৰ্বজ্ঞান ।

যি সকলাে ৰে মাজত প্ৰিয়   –    জনপ্ৰিয় ।

যাক সহজে লাভ কৰিব নাে ৱাৰি    –    দুৰ্লভ ।

যিজনে বিষ্ণুক উপাসনা কৰে   –    বৈষ্ণৱ ।